অধ্যায় ৪ ঃ মুদ্রাৰ সাংখ্যিক তত্ত্বৰ পুনঃ ব্যাখ্যাকৰণ

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য

৪.২ পৰিচয়

৪.৩ মুদ্রাৰ সাংখ্যিক তত্ত্বৰ পুনঃ ব্যাখ্যাকৰণ

৪.৩.১ মুদ্রাৰ সাংখ্যিক তত্ত্বৰ কেইন্সৰ পুনঃ গঠন

৪.৩.২ মুদ্রাৰ সাংখ্যিক তত্ত্বৰ ফ্রেইডমেনৰ পুনঃ গঠন

৪.৩.৩ ফ্রেইডমেন বনাম কেইন্স

৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৪.৫ অধিক জানিবৰ বাবে

৪.৬ অগ্রগতিৰ খতিয়ান

৪.৭ আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰাৰ পিছত আপুনি—

- মুদ্রাৰ পৰম্পৰাগত সাংখ্যিক তত্ত্বৰ ত্রুতি-বিচ্যুতিসমূহ জানিব পাৰিব
- জে. কেইন্স আৰু মিল্টন ফ্রেইডমেনে মুদ্রাৰ সাংখ্যিক তত্ত্বত কৰা সংযোজনসমূহ বর্ণনা কৰিব পাৰিব
- মুদ্রাৰ সাংখ্যিক তত্ত্বক ইয়াৰ সদৃশ অন্য ধাৰণাসমূহৰ সৈতে এক তুলনামূলক অধ্যয়ন কৰিব পাৰিব।

৪.২ পৰিচয়

মুদ্রাৰ সাংখ্যিক তত্ত্বটো দুই চিন্তাধাৰাৰ দ্বাৰা গঠিত— এক, সংস্থাপিত অর্থনীতিবিদ ফিচাৰৰ লেনদেনৰ দৃষ্টিভংগী আৰু দুই, কেমব্রীজ অর্থনীতিবিদসকলৰ নগদ জমাৰ দৃষ্টিভংগী যিয়ে নৱ-সংস্থাপিত অর্থনীতিবিদসকলৰ ধাৰণাক প্রতিনিধিত্ব কৰে। প্রথম ধাৰণাটোৰ নেতৃত্ব দিছিল আৰভিং ফিচাৰে আৰু দ্বিতীয় ধাৰণাটো কেমব্রীজ অর্থনীতিবিদ যেনে— মার্চেল, পিগু, ৰবার্টছন আদিয়ে সমর্থন কৰিছিল। ফিচাৰৰ সাংখ্যিক তত্ত্ব মতে, যেতিয়া প্রচলনত মুদ্রাৰ পৰিমাণ বৃদ্ধি পায়, তেতিয়া দৰস্তৰো পোনপটীয়া অনুপাতত বৃদ্ধি পায় আৰু মুদ্রাৰ মুল্য হ্রাস পায় আৰু বিপৰীত অনুপাতত অন্যাথায় ইয়াৰ বিপৰীত হয়, গতিকে নগদ

লেনদেনৰ দৃষ্টিভংগীয়ে মুদ্রাক কেৱল বিনিময়ৰ মাধ্যম হিচাপে গণ্য কৰে। এই দৃষ্টিভংগীত মানুহে মুদ্রাক কেৱল লেনদেনৰ উদ্দেশ্যে সংৰক্ষণ কৰে। মানুহে তেওঁলোকৰ লেনদেনৰ চাহিদাতকৈ অধিক অলাগতিয়াল মুদ্রা সংৰক্ষণ নকৰে কাৰণ ই এক অপচয়— যিহেতু এনে কার্যত সুত সংগ্রহত লোকচান হয়। সংস্থাপিত অর্থনীতিবিদসকলে অৱশ্যে মুদ্রাৰ মূল্য সঞ্চয়ৰ ভাণ্ডাৰ বা ভঁৰাল কার্যক আওকাণ কৰিছিল। কেমব্রীজ অর্থনীতিবিদসকলে মুদ্রাৰ চাহিদা আৰু যোগানৰ জৰিয়তে মূল্য নির্ণয় কৰি মুদ্রাৰ সম্পদ কার্যৰ পৰিচয় কৰায়। এই ধাৰণা মতে মানুহে নিষ্ক্রিয় নগদ জমা এই কাৰণে হাতত ৰাখে যে ই বিনিময়ৰ মাধ্যম আৰু মূল্য সঞ্চয়ৰ ভাণ্ডাৰ বা ভঁৰালৰ কার্য সম্পাদন কৰে। এই দুই ধাৰণাৰ ভিতৰত কেমব্রীজৰ ধাৰণাটো শ্রেষ্ঠ বিবেচনা কৰা হয় যিহেতু ই সুতৰ তাৰল্য প্রীতি তত্ত্বক ইয়াৰ ব্যাখ্যাৰ আধাৰ হিচাপ গণ্য কৰে, মুদ্রাৰ প্রচলন বেগৰ ধাৰণাক নাকচ কৰে, ব্যক্তিনিষ্ঠ উপাদান আৰু বাণিজ্য চক্র বিশ্লেষণ কৰে, হ্রস্বকালৰ লগত জড়িত আৰু সকলো পৰিস্থিতিতে ই প্রযোজ্য। যদিওবা দুয়োটা দৃষ্টিভংগীয়ে ব্যাখ্যাত সামান্য পৃথক সমীকৰণ ব্যৱহাৰ কৰিছে তথাপিতো উভয়ে একে সিদ্ধান্তত উপনীত হৈছে যে মুদ্রাৰ পৰিমাণ আৰু দৰস্তৰৰ মাজত পোনপটীয়া আৰু আনুপাতিক সম্বন্ধ আছে আৰু মুদ্রাৰ পৰিমাণ আৰু মুদ্রাৰ মূল্যৰ মাজত এটা বিপৰীত আনুপাতিক সম্বন্ধ আছে।

কিন্তু মুদ্রাৰ সাংখ্যিক তত্ত্বৰ গঠনৰ ইয়াতেই অন্ত নহয়। ইয়াৰ পিছতো মুদ্রাৰ সাংখ্যিক তত্ত্বৰ পুনঃ গঠন প্রক্রিয়া চলি থাকিল। এই পাঠত আপোনালোকে মুদ্রাৰ সাংখ্যিক তত্ত্বৰ পুনঃ গঠন সম্পর্কে জানিব পাৰিব। ইয়াৰ উপৰিও কেইন্স আৰু ফ্রেইডমেনৰ মুদ্রাৰ সাংখ্যিক তত্ত্বৰ তুলনা কৰাত সমর্থ হ'ব আৰু উভয়ৰে ভিতৰত কোনটো, কিয় শ্রেষ্ঠ বুজিব পাৰিব।

৪.৩ মুদ্রাৰ সাংখ্যিক তত্ত্বৰ পুনঃ ব্যাখ্যাকৰণ

মুদ্রাৰ সাংখ্যিক তত্ত্বৰ গঠন এক অ-সমাধিত বিষয় হৈয়ে থাকিল। মুদ্রাৰ চাহিদাৰ তত্বটোৰ উন্নয়নে ইতিমধ্যে দুটা দিশে গতি কৰিছিল। ইয়াৰে এটা ধাৰা প্রতিনিধিত্ব কৰিছিল কেইন্সে আৰু আনটো প্রতিনিধিত্ব কৰিছিল ফ্রেইডমেনে। মুদ্রাৰ চাহিদাৰ তত্ত্ব নির্ণয়ত মুদ্রাক কিদৰে গণ্য কৰা হয়, সেয়াই হ'ল দুয়োটা তত্ত্বৰ মাজৰ প্রভেদ। প্রথম ধাৰাটোত প্রাক্ আৰু পৰৱর্তী কেইন্সীয়ান অর্থনীতিবিদসকলে মুদ্রাক সম্পদৰ উৎপাদনহীন অংশ হিচাপে বিবেচনা কৰিছিল আৰু মুদ্রাৰ চাহিদাক লেনদেনৰ অভিপ্রায়, সাৱধানতাৰ অভিপ্রায় আৰু কল্পনাপ্রসূত অভিপ্রায়ত ভাগ কৰিছিল। ফ্রেইডমেনৰ তত্ত্বই দ্বিতীয় ধাৰাটো প্রতিনিধিত্ব কৰে আৰু তেওঁ মুদ্রাক অন্য স্থায়ী সামগ্রীৰ দৰে গণ্য কৰি মত পোষণ কৰিছিল।

এতিয়া আমি কেইন্সৰ জৰিয়তে আমাৰ বিশ্লেষণ আগবঢ়াওঁ আহক—

৪.৩.১ মুদ্রাৰ সাংখ্যিক তত্ত্বৰ কেইন্সৰ পুনঃ গঠন

মুদ্রাৰ প্রাচীন তত্ত্ববিদসকলৰ লগত কেইন্স একমত নহয় যে মুদ্রাৰ পৰিমাণ


আৰু দৰস্তৰৰ মাজত পোনপটীয়া আৰু আনুপাতিক সম্বন্ধ আছে। তেওঁৰ মতে মুদ্রাৰ পৰিমাণৰ পৰিৱৰ্তনৰ প্রভাৱ দৰস্তৰৰ ওপৰত আওপকীয়াভাৱে আৰু অনানুপাতিক। কেইনচে তেওঁৰ তত্ত্বটো তলত উল্লেখিত অভিধাৰণাবোৰৰ ওপৰত ভিত্তি কৰি বিশ্লেষণ কৰিছিলে—

- যেতিয়ালৈ অ-নিয়োজন অৱস্থা থাকে উৎপাদনৰ সকলো উপাদানৰে পূর্ণ স্থিতিস্থাপক যোগান থাকে।
- সকলো অ-নিয়োজিত উপাদান সম গুণবিশিষ্ট, পূর্ণ বিভাজ্য আৰু অন্তঃ পৰিৱৰ্তনশীল।
- উৎপাদনৰ স্থিৰ প্রতিদান বিধি বিদ্যমান আৰু সেয়েহে উৎপাদন হ্রাস বা বৃদ্ধিত দৰ পৰিৱৰ্তন নহয়।
- যেতিয়ালৈ কোনো অ-নিয়োজিত সম্পদ থাকে তেতিয়ালৈ ফলপ্রসূ চাহিদা আৰু মুদ্রাৰ পৰিমাণ একে অনুপাততে পৰিৱৰ্তন হয়।

উল্লেখিত অভিধাৰণাবোৰৰ ওপৰত ভিত্তি কৰি কেইনচে মুদ্রাৰ পৰিমাণৰ পৰিৱৰ্তন আৰু দৰস্তৰৰ সম্বন্ধ আওপকীয়াকৈ সুতৰ হাৰৰ লগত জড়িত বুলি বিবেচনা কৰিছিল। অর্থাৎ যেতিয়া মুদ্রাৰ পৰিমাণ বৃদ্ধি কৰা হয়, ইয়াৰ প্রথম প্রভাৱ পৰে সুতৰ হাৰৰ ওপৰত আৰু ই হ্রাস হয়। মুদ্রাৰ প্রান্তিক সক্ষমতা স্থিৰ থকা অৱস্থাত সুতৰ হাৰৰ হ্রাসে বিনিয়োগ বৃদ্ধি কৰিব। বর্দ্ধিত বিনিয়োগে গুণক প্রক্রিয়াৰ সহায়ত আয়, উৎপাদন আৰু নিয়োগ বৃদ্ধিৰ দ্বাৰা ফলপ্রসূ চাহিদা বৃদ্ধি কৰিব। যিহেতু উৎপাদনৰ উপাদানৰ যোগান ৰেখা পূর্ণ স্থিতিস্থাপক, অ-নিয়োজন অৱস্থাত মজুৰি আৰু অনা-মজুৰিকৃত উৎপাদন এক স্থিৰ হাৰত উপলব্ধ হ'ব। উৎপাদনৰ স্থিৰ প্রতিদান অৱস্থা বিদ্যমান হোৱা হেতুকে উৎপাদন বৃদ্ধি হ'লেও দৰৰ বৃদ্ধি নহয় যেতিয়ালৈ অর্থনীতিত অ-নিয়োজন অৱস্থা থাকে।

এনে পৰিস্থিতিত উৎপাদন আৰু নিয়োগ ফলপ্রসূ চাহিদাৰ সৈতে একে অনুপাতত বৃদ্ধি হ'ব আৰু ফলপ্রসূ চাহিদা মুদ্রাৰ পৰিমাণৰ সৈতে একে অনুপাতত বৃদ্ধি পাব। কিন্তু "এবাৰ পূর্ণ নিয়োগ অৱস্থাত উপনীত হোৱাৰ পিছত উৎপাদনৰ পৰিমাণ দৰস্তৰৰ পৰিৱৰ্তন আৰু ফলপ্রসূ চাহিদাৰ পৰিৱৰ্তনৰ লগত ক্রিয়াহীন হৈ পৰে।" যোগানৰ পৰিৱৰ্তনৰ ফলত উৎপাদনৰ স্থিতিস্থাপকতা, যিটো অ-নিয়োজন থকালৈকে অসীম আছিল, সি শূন্যলৈ হ্রাস পাব। মুদ্রাৰ পৰিমাণৰ পৰিৱৰ্তনৰ সম্পূর্ণ প্রভাৱ এতিয়া দৰস্তৰত দেখা যাব আৰু ই ফলপ্রসূ চাহিদাৰ সৈতে একে অনুপাতত সলনি হ'ব। সেয়েহে মুদ্রাৰ পুনঃ গঠিত সাংখ্যিক তত্ত্বই এই কথাত জোৰ দিয়ে যে, মুদ্রাৰ পৰিমাণ বৃদ্ধিয়ে দৰস্তৰৰ বৃদ্ধি কৰে কেৱল মাত্র যেতিয়া অর্থনীতিত পূর্ণ নিয়োগ অৱস্থা থাকে তাৰ পাছতহে, আগত নহয়।

চিত্র ৪.১ ঃ দৰ আৰু মুদ্রাৰ পৰিমাণৰ সম্পর্ক



মুদ্রাৰ পুনঃ গঠিত সাংখ্যিক তত্ত্বটো ৪.১(ক) আৰু (খ) চিত্রত বর্ণনা কৰা হৈছে য'ত OTC আৰু PRC ৰেখাই মুদ্রাৰ পৰিমাণৰ লগত জড়িত দৰ ৰেখাক বুজায়। চিত্র (ক)ত দেখুওৱা হৈছে যে, যেতিয়া মুদ্রাৰ পৰিমাণে O ৰ পৰা M লৈ বৃদ্ধি হয়, উৎপাদনৰ পৰিমাণো OTC ৰেখাৰ OT অংশলৈ বৃদ্ধি হয়। যেতিয়া মুদ্রাৰ পৰিমাণ OM স্তৰ লাভ কৰে পূর্ণ নিয়োগ উৎপাদন OQ_F উৎপাদিত হয়। কিন্তু T বিন্দুৰ পিছত উৎপাদন বৃদ্ধি হ'ব নোৱাৰে কাৰণ যিহেতু পূর্ণ নিয়োগ অৱস্থা ইতিমধ্যে লাভ কৰিলে। চিত্র (খ)ই মুদ্রাৰ পৰিমাণ আৰু দৰস্তৰৰ মাজৰ সম্বন্ধ দেখুৱাইছে। যেতিয়ালৈকে অ-নিয়োজন অৱস্থা থাকে মুদ্রাৰ পৰিমাণৰ যিকোনো পৰিৱর্তনতে দৰস্তৰ একে থাকে। দৰস্তৰ কেৱল পূর্ণ নিয়োগ অৱস্থাৰ পিছতহে বৃদ্ধি হয়। চিত্রত পূর্ণ নিয়োগ অৱস্থা (OQ_F উৎপাদন)ত OP দৰস্তৰ OM মুদ্রাৰ পৰিমাণত স্থিৰ। কিন্তু OMৰ পৰৱর্তী অৱস্থাত মুদ্রাৰ পৰিমাণৰ বৃদ্ধিয়ে দৰস্তৰকো ইয়াৰ আনুপাতিক হাৰত বৃদ্ধি কৰাব। চিত্রত PRC ৰেখাৰ RC অংশই এই কথা প্রতিপন্ন কৰে।

মুদ্রাৰ পৰম্পৰাগত সাংখ্যিক তত্ত্বত কেইন্সৰ পুনঃ গঠিত মুদ্রাৰ তত্ত্বৰ শ্রেষ্ঠত্বৰ কাৰণসমূহ ঃ

- পৰম্পৰাগত তত্ত্বৰ বিপৰীতে কেইনচৰ তত্ত্বই দৰ আৰু মুদ্রাৰ পৰিমাণৰ আওপকীয়া আৰু অনানুপাতিক সম্পর্ক বর্ণনা কৰে।
- মুদ্রাতত্ত্বক কেইনচে মুদ্রাৰ মূল্যৰ সৈতে বিবেচনা কৰিছিল। তেওঁ মুদ্রা তত্ত্ব, উৎপাদন আৰু নিয়োগক সুতৰ হাৰৰ জৰিয়তে একত্বীকৰণ কৰিছে।
- মুদ্রাৰ পৰম্পৰাগত সংখ্যিক তত্ত্বত উল্লেখিত পূর্ন নিয়োগৰ অবাস্তব ধাৰনাটো কেইন্সে এক ব্যতিক্রম হিচাপে উল্লেখ কৰিছে।
- পৰম্পৰাগত মুদ্রাতত্ত্ব মতে মুদ্রাৰ যিকোনো বৃদ্ধিয়ে মুদ্রাস্ফীতি আনে

কিন্তু এইটো প্রতিপন্ন কৰে যে যেতিয়ালৈ অ-নিয়োজন অৱস্থা থাকে দৰ বৃদ্ধি স্বাভাৱিক আৰু মুদ্রাস্ফীতিৰ কোনো শংকা নাথাকে।

৪.৩.২ মুদ্রাৰ সাংখ্যিক তত্ত্বৰ ফ্রেইডমেনৰ পুনঃ গঠন

১৯৫৬ চনত ফ্রেইডমেনে তেওঁৰ গ্রন্থ "মুদ্রাৰ পৰিমাণ এক পুনঃ স্পষ্টীকৰণ" (The quantity of money a restatement) ত মুদ্রাৰ সাংখ্যিক তত্ত্বৰ এক বিশেষ আৰ্হিৰ অৱতাৰণা কৰে। মুদ্রাৰ সাংখ্যিক তত্ত্বৰ পুনঃ স্পষ্টীকৰণত, তেওঁ প্রকাশ কৰে "মুদ্রা প্রয়োজনীয়"। এই কথাও স্পষ্ট কৰে যে তেওঁৰ মুদ্রাৰ পৰিমাণ তত্ত্বটো মূলতঃ মুদ্রাৰ চাহিদাৰ তত্ত্বহে; বৰং ই উৎপাদন, নিয়োগ বা দৰৰ তত্ত্ব নহয়। ফ্রেইডমেনৰ মুদ্রাৰ সাংখ্যিক তত্ত্বটো আংশিকভাৱে কেইন্সীয়ান আৰু আংশিকভাৱে অনা-কেইন্সীয়ান। ফ্রেইডমেনে তেওঁৰ মুদ্রাৰ চাহিদাৰ তত্ত্বটো প্রকৃত মুদ্রা $\frac{M}{P}$ ৰ মাধ্যমেৰে দেখুৱাইছিল য'ত M মুদ্রাগত আয় আৰু P দৰ সূচক। বিশ্লেষণ স্পষ্ট কৰাৰ বাবে ফ্রেইডমেনে দুই প্রকাৰত সম্পদ জমাকাৰীসকলক ভাগ কৰিছিল— ব্যক্তিগত পৰিয়াল আৰু বাণিজ্যিক প্রতিষ্ঠান।

চূড়ান্ত সম্পদ জমাকাৰীৰ দ্বাৰা মুদ্রাৰ চাহিদা ঃ ফ্রেইডমেনৰ মতে চূড়ান্ত সম্পদ জমাকাৰীৰ বাবে মুদ্রাই এক মাধ্যম য'ত তেওঁলোকে তেওঁলোকৰ সম্পদবোৰ সংৰক্ষণ কৰিব বিচাৰে। সেয়েহে তেওঁলোকৰ বাবে মুদ্রাৰ চাহিদা তলৰ কাৰককেইটাৰ ক্রিয়া—

- **মুঠ সম্পদ ঃ** মুঠ সম্পদে বস্তুগত (physical) আৰু অনা-ব্যক্তিগত (non-human) সম্পদ উভয়কে সূচায়। "বাস্তৱত ব্যক্তিগত সম্পদ কাচিৎহে পোৱা যায়।" ফ্রেইডমেনৰ মতে "স্থায়ী সম্পদ হৈছে মুঠ সম্পদৰ আটাইতকৈ ব্যৱহাৰিক মাপকাঠি।"
- **মুঠ সম্পদত ব্যক্তিগত সম্পদৰ অনুপাত ঃ** ফ্রেইডমেনৰ মতে, ব্যক্তিগত সম্পদ যেনে ব্যক্তিগত আয় সামর্থ্য হ'ল এক প্রধান সম্পদ কিন্তু কিছু আনুষ্ঠানিক বাধাৰ বাবে ব্যক্তিগত সম্পদক অনা-ব্যক্তিগত সম্পদলৈ পৰিণত কৰাত সীমাৱদ্ধতা আছে। সেয়েহে মুঠ সম্পদৰ যিটো অংশ অনা-ব্যক্তিগত সম্পদ হিচাপে থাকে, সেয়া এক অন্য লাগতিয়াল কাৰক।
- **মুদ্রা আৰু অন্য সম্পদত আকাংক্ষিত প্রতিদানৰ হাৰ ঃ** মুদ্রাৰ প্রতিদান হাৰ শূন্য; কেতিয়াবা আনকি ঋণাত্মক হয়। ঠিক চাহিদা জমাৰ দৰে। কিন্তু অন্য সম্পদ যেনে বণ্ড, ইকুইটি, চিকিউৰিটি আদিৰ প্রতিদান আকাংক্ষিত আৰু হাৰ ধনাত্মক। সেয়েহে মুদ্রা জমা ৰখাৰ এটা তুলনামূলক ব্যয় আছে। প্রকৃত প্রতিদানৰ তুলনামূলক হাৰ হৈছে মুদ্রাৰ চাহিদাৰ কাৰক।
- **অন্যান্য কাৰকসমূহ ঃ** অন্যান্য কাৰকসমূহৰ ভিতৰত— (ক) মুদ্রাই সম্পদ

হিচাপে আগবঢ়োৱা সেৱা আৰু (খ) ভৱিষ্যতে আকাংক্ষিত অর্থনৈতিক স্থিৰতা ৰক্ষাত মুদ্রাই আগবঢ়োৱা সেৱা অন্তর্ভূক্ত কৰিব পাৰি।

সম্পদ জমাকাৰীৰ মুদ্রাৰ চাহিদা ফলন ঃ ফ্রেইডমেনৰ মতে ব্যক্তিগত সম্পদ জমাকাৰীৰ চাহিদা ফলনটো হৈছে—

$$= f(y, w, r_m, r_b, r_e, \Delta p/_p; u)$$

য'ত M = মুদ্রাৰ চাহিদা,

P = দৰ সূচক,

= প্রকৃত মুদ্রাৰ চাহিদা,

y= প্রকৃত আয়,

w = সম্পদৰ অনা-ব্যক্তিনিষ্ঠ অংশ,

r_m = মুদ্রাৰ আকাংক্ষিত প্রতিদান,

r_e = ইকুইটিৰ আকাংক্ষিত প্রতিদান,

r_b = চিকিউৰিটিৰ আকাংক্ষিত প্রতিদান,

$\Delta p/_p$ = বস্তুৰ দৰৰ আকাংক্ষিত প্রতিদান।

u = আয়ৰ বাহিৰে আন কাৰকসমূহ যিয়ে মুদ্রাৰ উপযোগিতাত ক্রিয়া কৰিব পাৰে।

ফ্রেইডমেনে এই চাহিদা ফলন সমগ্র অর্থনীতিৰ বাবে ব্যৱহাৰত সমস্যা আছে বুলি উল্লেখ কৰিছে। সমষ্টি ক্ষেত্রত ইয়াক ব্যৱহাৰত কিছু সমস্যাৰ সৃষ্টি হয় কাৰণ—

(ক) অনা-ব্যক্তিগত আয়ত প্রকৃত আয়ৰ অংশ বিতৰণৰ পৰিৱর্তন হোৱাৰ বাবে।

(খ) প্রকৃত প্রতিদান হাৰেৰে নির্দ্ধাৰিত আকাংক্ষিত প্রতিদানৰ হাৰত প্রকৃত আয় y আৰু অনা-ব্যক্তিগত আয় (w) নির্দ্ধাৰণত অসুবিধা আৰু u ত শ্রেণী বিভাজিত কাৰকসমূহ বিচাৰি উলিওৱাত অসুবিধা। y আৰু w ৰ বিতৰণৰ অসুবিধাসমূহ বাদ দিলে এই সমীকৰণটো সমগ্র অর্থনীতিৰ বাবে প্রযোজ্য হ'ব কিন্তু তথাপি uত থকা কাৰকবোৰ বিচাৰি উলিওৱাটো এক সমস্যা হিচাপে ৰৈ যাব।

বাণিজ্যিক প্রতিষ্ঠানৰ মুদ্রাৰ চাহিদা ঃ ফ্রেইডমেনৰ মতে বাণিজ্যিক প্রতিষ্ঠানৰ মুদ্রাৰ চাহিদা নিম্ন সংযোজিত কথাকেইটাৰ ওপৰত নির্ভৰ কৰে-

- ফ্রেইডমেনে প্রতিষ্ঠানৰ মাপক মুঠ সম্পদৰ বিকল্প হিচাপে ব্যৱহাৰ কৰিছিল আৰু তেওঁৰ মতে মুঠ লেনদেনৰ মাপৰ কেইবাটাও একক আছে যেনে প্রকৃত মূল্য সংযোজন, প্রকৃত আয়, মুঠ অনা-মুদ্রা মূলধন আৰু প্রকৃত মূল্য।
- বাণিজ্যিক প্রতিষ্ঠানৰ বাবে সম্পদক ব্যক্তিগত আৰু অনা-ব্যক্তিগত হিচাপে ভাগ কৰা অর্থহীন।
- মুদ্রা আৰু বিকল্প সম্পদত প্রতিদানৰ হাৰ অতিকৈ দৰকাৰী কাৰণ এই হাৰে মুদ্রা সংগ্রহৰ প্রকৃত ব্যয় নির্ণয় কৰে।

- ব্যক্তিনিষ্ঠ সম্পদ জমাকাৰীসকলৰ দৰে uৰ অন্তর্ভুক্ত কাৰকসমূহ সমানে দৰকাৰী।

মুদ্রাৰ সামগ্রিক চাহিদা ঃ ব্যক্তিগত সম্পদ জমাকাৰীৰ মুদ্রাৰ চাহিদা ফলনটোকে বাণিজ্যিক প্রতিষ্ঠানৰ আৰু একেদৰে সামগ্রিক মুদ্রাৰ চাহিদা ফলন হিচাপে গণ্য কৰিব পাৰি, যদিহে ইয়াৰ পৰা w বাদ দিয়া হয়।

ফ্রেইডমেনৰ পুনঃ গঠিত মুদ্রাৰ চাহিদা তত্ত্বৰ সীমাৱদ্ধতা ঃ

- ফ্রেইডমেনে M_1 আৰু M_2ক সামৰি মুদ্রাৰ বিস্তৃত তত্ত্ব দাঙি ধৰা বাবে তেওঁক সমালোচনা কৰা হৈছে যিয়ে সিদ্ধান্ত দিয়ে যে মুদ্রাৰ চাহিদাৰ সুতৰ স্থিতিস্থাপকতা অসাৰ।
- ফ্রেইডমেনে বিবেচনা কৰাৰ দৰে মুদ্রা কোনো বিলাসী সামগ্রী নহয়।
- জনছনে সমালোচনা কৰিছে যে ফ্রেইডমেনে অপ্রয়োজনীয়ভাৱে সম্পদক আয়ৰ পৰা পৃথক কৰিছে।
- ফ্রেইডমেনে দৰ, উৎপাদন আৰু সুতৰ হাৰৰ মুদ্রাৰ যোগানৰ ওপৰত ক্রিয়া আওকাণ কৰিছে কিন্তু এই সমূহৰ ক্রিয়া প্রকৃততে নুই কৰিব নোৱাৰি।
- ফ্রেইডমেনে এই তত্ত্বৰ প্রয়োগৰ ক্ষেত্রত সময়, সময় ব্যৱধান আৰু ব্যৱহাৰিতাৰ বিষয়ে বিশেষ একো উল্লেখ কৰা নাই।

সামৰণি ঃ ফ্রেইডমেনৰ মুদ্রাৰ তত্ত্বটো হ'ল মূলধনৰ তত্ত্বৰ প্রাথমিক নীতি। কেইনচৰ সাধাৰণ তত্ত্বৰ পিছত সম্ভৱতঃ ই আটাইতকৈ গুৰুত্বপূর্ণ সংস্কৰণ যিয়ে মূলধনৰ উৎপাদনশীলতা, আয়ৰ বর্তমান মূল্য সামৰি লয়। এই তত্ত্বৰ তাত্ত্বিক তাৎপর্য এই যে ই সম্পদ আৰু আয় সংহতিৰ ধাৰণা দিয়ে।

৪.৩.৩ ফ্রেইডমেন বনাম কেইন্স

কেইন্স আৰু ফ্রেইডমেনৰ তত্ত্বৰ এক তুলনা তলৰ আলোচনাত দাঙি ধৰা হ'ল—

- মুদ্রাৰ চাহিদা বিশ্লেষণত ফ্রেইডমেনে কেইন্সতকৈ অধিক বিস্তৃত সংজ্ঞা দাঙি ধৰিছে। তেওঁ মুদ্রাক সম্পদ বা মূলধনী দ্রব্য হিচাপে গণ্য কৰিছে যাক আয়ৰ বাবে ব্যৱহাৰ কৰা হয়। আনহাতে কেইন্সৰ মুদ্রাৰ চাহিদাৰ তত্ত্বই চাহিদা সংৰক্ষণ আৰু চৰকাৰৰ অনা-সুত বহনকাৰী ঋণ সামৰি লয়।
- ফ্রেইডমেনৰ মতে সম্পদ জমাকাৰীৰ বাবে মুদ্রাৰ চাহিদা হ'ল মুদ্রাগত চলকসমূহৰ ফলন। আনহাতে কেইন্সৰ মতে মুদ্রাৰ চাহিদা সম্পদ হিচাপে বণ্ডৰ লগত জড়িত য'ত সুতৰ হাৰ হৈছে মুদ্রা সংৰক্ষণ সম্বন্ধিত ব্যয়।
- ফ্রেইডমেনৰ তত্ত্বত মুদ্রাৰ পৰিৱর্তনে পোনপটীয়াকৈ দৰস্তৰত আৰু উৎপাদিত

সকলো দ্রব্যৰ ওপৰত প্রভাৱ পেলায় আৰু মানুহে তেওঁলোকৰ হাতত থকা সম্পদসমূহ ক্রয় বা বিক্রী কৰিব। কিন্তু কেইন্সৰ মতে মুদ্রাৰ পৰিৱর্তনে অর্থনৈতিক কার্যকলাপবোৰক আওপকীয়াকৈ বণ্ডৰ দৰ আৰু সুতৰ হাৰৰ জৰিয়তে প্রভাৱ পেলায়।

- কেইন্সে মুদ্রাৰ জমাক লেনদেন, সাৱধানতা আৰু কল্পনাপ্রসুত অভিপ্রায়ত ভাগ কৰিছে। কিন্তু ফ্রেইডমেনে তেনে কোনো ভাগ কৰা নাই।
- ফ্রেইডমেনে তেওঁৰ তত্ত্বৰ বিশ্লেষণত স্থায়ী আৰু মুদ্রাগত আয়ক ব্যৱহাৰ কৰিছে। আনহাতে কেইন্সে তেনে কোনো আয় ব্যৱহাৰ কৰা নাই।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ কেইজনমান কেমব্রীজ অর্থনীতিবিদৰ নাম লিখক (১০টা শব্দৰ ভিতৰত)।

.....

প্রশ্ন ২ ঃ কেইন্সৰ পুনঃগঠিত মুদ্রাৰ সাংখ্যিক তত্ত্বৰ অভিধাৰণাকেইটা লিখক (৫০টা শব্দৰ ভিতৰত)।



.....

.....

.....

.....

.....

প্রশ্ন ৩ ঃ কেইন্সৰ পুনঃগঠিত মুদ্রাৰ সাংখ্যিক তত্ত্বটো চমুকৈ বর্ণনা কৰক (১০০টা শব্দৰ ভিতৰত)।

.....

.....

.....

.....

.....

.....

.....

.....

প্রশ্ন ৪ ঃ ফ্রেইডমেনে ব্যক্তিগত সম্পদ জমাকাৰীৰ চাহিদা ফলনত ব্যৱহাৰ কৰা কাৰক

(চলক) সমূহ উল্লেখ কৰক (৩০টা শব্দৰ ভিতৰত)।

.....

.....

.....

প্রশ্ন ৫ ঃ ফ্রেইডমেনৰ পুনঃগঠিত মুদ্রাৰ সাংখ্যিক তত্ত্বৰ কেইটামান ত্রুটি উল্লেখ কৰক (৩০টা শব্দৰ ভিতৰত)।

.....

.....

.....

প্রশ্ন ৬ ঃ ফ্রেইডমেন আৰু কেইন্সৰ মুদ্রাৰ পুনঃগঠিত তত্ত্বৰ মাজত এটা চমু তুলনা কৰক (৭০টা শব্দৰ ভিতৰত)।

.....

.....

.....

.....

.....

.....

.....



৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- মুদ্রাৰ সাংখ্যিক তত্ত্বটো প্রথমতে সংস্থাপিত অর্থনীতিবিদ আৰভিং ফিচাৰে আগবঢ়াইছিল যে প্রচলনত মুদ্রাৰ যোগান যেতিয়া বৃদ্ধি হয় দৰস্তৰো পোনপটীয়া অনুপাতত বৃদ্ধি হয় আৰু মুদ্রাৰ মূল্য হ্রাস পায় আৰু ইয়াৰ বিপৰীতক্রমত, এই সংস্কৰণটোৱে মুদ্রাৰ বিনিময়ৰ মাধ্যম কার্যটো অন্তর্ভুক্ত কৰিছিল। কিন্তু পিছলৈ কেম্ব্রীজৰ অর্থনীতিবিদসকলে মুদ্রাৰ মূল্যৰ ভঁৰাল কার্যটোও কিছু পৃথকীকৃত সমীকৰণৰ যোগেদি সংযোজন কৰে আৰু এই তত্ত্বটো আগৰটোতকৈ উন্নত বিবেচিত হয়।
- কেইন্সে এই তত্ত্বটো পুনৰ সংস্কৰণ কৰিলে। তেওঁৰ মতে যেতিয়া মুদ্রাৰ পৰিমাণ বৃদ্ধি হয়, তেতিয়া ইয়াৰ প্রথম প্রভাৱ সুতৰ হাৰৰ ওপৰত পৰে আৰু ই হ্রাস হয়। মূলধনৰ এক নির্দিষ্ট প্রান্তিক সক্ষমতাত, সুতৰ হাৰৰ হ্রাসে বিনিয়োগৰ পৰিমাণ বৃদ্ধি কৰিব। বর্দ্ধিত বিনিয়োগে গুণক প্রক্রিয়াৰ সহায়ত আয়, উৎপাদন আৰু নিয়োগ বৃদ্ধিৰ দ্বাৰা

ফলপ্রসু চাহিদাৰ বৃদ্ধি কৰিব। যিহেতু উৎপাদনৰ উপাদানৰ যোগান ৰেখা স্থিতিস্থাপক, অ-নিয়োজন অৱস্থাত মজুৰি আৰু অনা-মজুৰিকৃত উপাদানসমূহ এক স্থিৰ হাৰত উপলব্ধ হ'ব। উৎপাদনৰ স্থিৰ প্রতিদান বিধি বিদ্যমান হোৱা হেতু উৎপাদনৰ বৃদ্ধি হ'লেও দৰৰ বৃদ্ধি নহয় যেতিয়ালৈকে অর্থনীতিত অ-নিয়োজন অৱস্থা থাকে। এনে পৰিস্থিতিত উৎপাদন আৰু নিয়োগ ফলপ্রসু চাহিদাৰ সৈতে একে অনুপাতত বৃদ্ধি হ'ব আৰু ফলপ্রসু চাহিদা মুদ্রাৰ পৰিমাণৰ সৈতে একে অনুপাতত বৃদ্ধি পাব। কিন্তু "এবাৰ পূর্ণ নিয়োগ অৱস্থাত উপনীত হোৱাৰ পিছত উৎপাদনৰ পৰিমাণ দৰস্তৰৰ পৰিৱর্তন আৰু ফলপ্রসু চাহিদাৰ পৰিৱর্তনৰ লগত ক্রিয়াহীন হৈ পৰে।" অর্থাৎ যেতিয়ালৈকে অ-নিয়োজন অৱস্থা থাকে, উৎপাদন মুদ্রাৰ পৰিমাণৰ লগত একে অনুপাতত বৃদ্ধি হয়, দৰস্তৰৰ কোনো পৰিৱর্তন নহয়। কিন্তু পূর্ণ নিয়োগ অৱস্থাত দৰস্তৰ মুদ্রাৰ পৰিমাণৰ সৈতে একে অনুপাতত সলনি হয়।

- ১৯৫৬ চনত ফ্রেইডমেনে তেওঁৰ গ্রন্থ "মুদ্রাৰ চাহিদা— এক পুনঃ স্পষ্টীকৰণ"ত মুদ্রাৰ সাংখ্যিক তত্ত্বৰ এক বিশেষ আর্হিৰ অৱতাৰণা কৰিছে। মুদ্রাৰ সাংখ্যিক তত্ত্বৰ পুনঃ স্পষ্টীকৰণত তেওঁ প্রকাশ কৰে "মুদ্রা প্রয়োজনীয়"। ফ্রেইডমেনে তেওঁৰ মুদ্রাৰ তত্ত্বটো প্রকৃত মুদ্রা $\frac{M}{P}$ৰ মাধ্যমেৰে দেখুৱাইছিল য'ত M মুদ্রাগত আয় আৰু P দৰ সূচক। তেওঁৰ বিশ্লেষণ স্পষ্ট কৰাৰ বাবে ফ্রেইডমেনে দুই প্রকাৰৰ চূড়ান্ত সম্পদৰ জমাকাৰীক ভাগ কৰিছিল ব্যক্তিগত পৰিয়াল আৰু বাণিজ্যিক প্রতিষ্ঠান ৰূপে। চূড়ান্ত সম্পদ জমাকাৰীসকলক নিম্নোক্ত কাৰকসমূহে ক্রিয়া কৰে।
  - মুঠ সম্পদ
  - মুঠ সম্পদত ব্যক্তিগত সম্পদৰ অনুপাত
  - মুঠ আৰু অন্য সম্পদত আকাংক্ষিত প্রতিদানৰ হাৰ
  - অন্য কাৰকসমূহ যেনে মুদ্রাই জমা বা অর্থনৈতিক স্থিৰতাৰ বাবে আগবঢ়োৱা সেৱা।
  - ফ্রেইডমেনে এই কাৰকসমূহ এটা চাহিদাৰ ফলনৰ দ্বাৰা চিহ্নিত কৰিছে। এজন ব্যক্তিগত সম্পদ জমাকাৰীৰ বাবে—

    = f(y, w, r_m, r_b, r_e, $\Delta p/_p$; u) য'ত M = মুদ্রাৰ চাহিদা, P = দৰ সূচক, = প্রকৃত মুদ্রাৰ চাহিদা, y= প্রকৃত আয়, w = সম্পদৰ অনা-ব্যক্তিনিষ্ঠ অংশ, r_m = মুদ্রাৰ আকাংক্ষিত প্রতিদান, r_b = চিকিউৰিটিৰ আকাংক্ষিত প্রতিদান, r_e = ইকুইটিৰ আকাংক্ষিত প্রতিদান, $\Delta p/_p$ = বস্তুৰ দৰৰ (প্রকৃত সম্পদৰ) আকাংক্ষিত প্রতিদান, u = আয়ৰ বাহিৰে আন কাৰকসমূহ যিয়ে মুদ্রাৰ উপযোগিতাত ক্রিয়া কৰিব পাৰে।
- ফ্রেইডমেনৰ সংস্কৰণত মুদ্রাৰ পৰিৱর্তনে পোনপটীয়াকৈ দৰস্তৰত প্রভাৰ পেলায় কিন্তু

কেইনচৰ সংস্কৰণত মুদ্রাৰ পৰিৱৰ্তনে অর্থনৈতিক কার্যকলাপত আওপকীয়াকৈ বণ্ডৰ দৰ আৰু সুতৰ হাৰৰ মাধ্যমত প্রভাৱ পেলায়।

৪.৫ অধিক জানিবৰ বাবে

1. Ahuja, H.L., (2016). *Macroeconomics.* New Delhi:S. Chand & company.
2. Dwivedi, D.N., (2010). *Macroeconomics.*New Delhi: Tata McGraw Hill Pvt. Ltd.
3. Rana, K.C, Verma K.N., (2014). *Macroeconomic Analysis.* Jalandhar: Vishal Publishing Company.
4. Vaish, M.C, (2007). *Macroeconomic Theory.* New Delhi: Vikas Publishing House Pvt Ltd

৪.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ফ্রেইডমেন, মার্ছাল, পিগু, ৰবার্টছন ইত্যাদি।

২ নং প্রশ্নৰ উত্তৰ ঃ কেইন্সৰ পুনঃগঠিত মুদ্রা তত্ত্ব তলৰ অভিধাৰণাকেইটাৰ ওপৰত নির্ভৰশীল-

- যেতিয়ালৈকে অর্থনীতিত অ-নিয়োজন অৱস্থা থাকে উৎপাদনৰ সকলো উপাদানেই পূর্ণ নিয়োগ অৱস্থাত থাকে।
- সকলো অ-নিয়োজিত উপাদান সমগুণ বিশিষ্ট, পূর্ণ বিভাজ্য আৰু অন্তঃ পৰিৱর্তনশীল।
- উৎপাদনৰ স্থিৰ প্রতিদান বিধি বিদ্যমান আৰু সেয়েহে উৎপাদনৰ হ্রাস বা বৃদ্ধিত দৰ পৰিৱর্তন নহয়।
- যেতিয়ালৈ কোনো অ-নিয়োজিত সম্পদ থাকে, তেতিয়ালৈ ফলপ্রসু চাহিদা আৰু মুদ্রাৰ পৰিমাণ একে অনুপাততে পৰিৱর্তন হয়।

৩ নং প্রশ্নৰ উত্তৰ ঃ কেইন্সৰ মতে যেতিয়া মুদ্রাৰ পৰিমাণ বৃদ্ধি হয়, তেতিয়া ইয়াৰ প্রথম প্রভাৱ সুদৰ হাৰৰ ওপৰত পৰে আৰু ই হ্রাস হয়। মূলধনৰ এক নির্দিষ্ট প্রান্তিক সক্ষমতাত সুদৰ পৰিমাণৰ হ্রাসে বিনিয়োগৰ পৰিমাণ বৃদ্ধি কৰে। বর্দ্ধিত বিনিয়োগে গুণক প্রক্রিয়াৰ সহায়ত আয় উৎপাদন আৰু নিয়োগ বৃদ্ধিৰ দ্বাৰা ফলপ্রসূ চাহিদাৰ বৃদ্ধি কৰিব। কিন্তু "এবাৰ পূর্ণ নিয়োগ অৱস্থাত উপনীত হোৱাৰ পিছত উৎপাদনৰ পৰিমাণ

দৰস্তৰৰ পৰিৱৰ্তন আৰু ফলপ্ৰসূ চাহিদাৰ পৰিৱৰ্তনৰ ওপৰত ক্ৰিয়াহীন হৈ পৰে।" অৰ্থাৎ যেতিয়ালৈ অ-নিয়োজন অৱস্থা থাকে, উৎপাদন মুদ্রাৰ পৰিমাণৰ লগত একে অনুপাতত বৃদ্ধি পায়, দৰস্তৰৰ কোনো পৰিৱৰ্তন নহয় কিন্তু পূৰ্ণ নিয়োগ অৱস্থাত দৰস্তৰ মুদ্রাৰ পৰিমাণৰ সৈতে একে অনুপাতত সলনি হয়।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ফ্ৰেইডমেনৰ মতে তলত দিয়া কাৰকসমূহে চূড়ান্ত জমাকাৰীসকলৰ সম্পদৰ চাহিদাত ক্ৰিয়া কৰে-

- মুঠ সম্পদত ব্যক্তিগত সম্পদৰ অনুপাত
- মুঠ আৰু অন্য সম্পদত আকাংক্ষিত প্ৰতিদানৰ হাৰ
- অন্য কাৰকসমূহ যেনে মুদ্রাই সম্পদ জমা বা অৰ্থনৈতিক স্থিৰতা ৰক্ষাৰ বাবে আগবঢ়োৱা সেৱা।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ ফ্ৰেইডমেনৰ পুনঃগঠিত মুদ্রাৰ তত্ত্বৰ ত্ৰুটিসমূহ হ'ল ঃ

- ফ্ৰেইডমেনে ধৰাৰ দৰে মুদ্রা বিলাসী দ্ৰব্য নহয়।
- ফ্ৰেইডমেনে বিবেচনা কৰাৰ দৰে আয় সম্পদৰ পৰা পৃথক নহয়।
- তেওঁ মুদ্রাৰ ওপৰত দৰ, উৎপাদন আৰু সুতৰ হাৰৰ প্ৰভাৱ আওকাণ কৰিছিল।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ ফ্ৰেইডমেন আৰু কেইন্সৰ মুদ্রাৰ পুনঃগঠিত তত্ত্বক তলত তুলনা কৰা হ'ল—

- ফ্ৰেইডমেনৰ তত্ত্বৰ মতে মুদ্রাৰ পৰিমাণৰ পৰিৱৰ্তনে পোনপটীয়াকৈ দৰৰ ওপৰত প্ৰভাৱ পেলায় কিন্তু কেইন্সৰ মতে মুদ্রাৰ পৰিমাণৰ পৰিৱৰ্তনে দৰস্তৰত আওপকীয়াকৈ বণ্ডৰ দৰ আৰু সুতৰ হাৰৰ জৰিয়তে প্ৰভাৱ পেলায়।
- ফ্ৰেইডমেনৰ মতে চূড়ান্ত সম্পদ জমাকাৰীসকলৰ মুদ্রাৰ চাহিদা কেৱল মুদ্রাজনিত কাৰকৰ ওপৰত নিৰ্ভৰশীল, কিন্তু কেইন্সৰ মতে মুদ্রাৰ চাহিদা জমা হিচাপে বণ্ডৰ দৰৰ ওপৰত নিৰ্ভৰশীল।
- ফ্ৰেইডমেনৰ মতে মুদ্রা হৈছে মূলধনী দ্ৰব্য আৰু ইয়াক আয় সংগ্ৰহৰ বাবে ব্যৱহাৰ কৰিব পাৰি কিন্তু কেইন্সৰ মতে মুদ্রাই চাহিদা সংৰক্ষণ আৰু চৰকাৰৰ অনা-সুত বহনকাৰী ঋণক সামৰি লয়।



৪.৭ আৰ্হি প্ৰশ্ন

চুটি প্ৰশ্ন (১৫০ টা মান শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰে উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ মুদ্রাৰ সাংখ্যিক তত্ত্বত সংস্থাপিত অৰ্থনীতিবিদসকলৰ অৱদান চমুকৈ লিখক।

প্ৰশ্ন ২ ঃ মুদ্রাৰ সাংখ্যিক তত্ত্বৰ নৱ-সংস্থাপিত অৰ্থনীতিবিদসকলৰ সংযোজনৰ বিষয়ে লিখক।

প্রশ্ন ৩ ঃ কি কি ক্ষেত্রত কেইন্‌চৰ তত্ত্বটো মুদ্রাৰ সংস্থাপিত তত্ত্বতকৈ উন্নত?

প্রশ্ন ৪ ঃ কেইন্সে কিদৰে দৰ আৰু মুদ্রাৰ সাংখ্যিক তত্ত্বৰ সম্বন্ধ স্থাপন কৰিছে?

ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা মান শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰে উত্তৰ লিখক)

প্রশ্ন ১ ঃ কেইন্সৰ পুনঃগঠিত মুদ্রাৰ সাংখ্যিক তত্ত্বটো বিশ্লেষণ কৰক।

প্রশ্ন ২ ঃ ফ্রেইডমেনৰ পুনঃগঠিত মুদ্রাৰ সাংখ্যিক তত্ত্বটো বর্ণনা কৰক।

প্রশ্ন ৩ ঃ কেইন্সৰ আৰু ফ্রেইডমেনৰ তত্ত্ব দুটাৰ এক তুলনামূলক বিশ্লেষণ দাঙি ধৰক।

প্রশ্ন ৪ ঃ মুদ্রাৰ পুনঃগঠিত সাংখ্যিক তত্ত্বৰ বিভিন্ন ধাৰা বা দিশসমূহৰ বিৱৰণ দিয়ক।

** ***** **